# নিসংগতাৰ এন্দুৰে কুটি খোৱা হৃদয়বোৰৰ কথা...



অনুভৱৰ স্বৰ | জিতুমণি পাঠক

নিসংগতাই প্ৰাচুৰ্যময় যৌৱন একোটাকো ক্ৰমে শুহি-শুহি নিস্তেজ কৰি পেলাব পাৰে, নিশকতীয়া বৃদ্ধাৱস্থাটো ইয়াৰ বাবে তেনেই সহজ চিকাৰ। শৰীৰ-মনেৰে ভগ্নস্তূপত পৰিণত হোৱা বৃদ্ধাৱস্থাত নিসংগতা যেন এক অনাহূত অতিথি। এই অনাহূত অতিথিৰ নাগপাশত প্ৰতিদিনে পিষ্ট হৈ ৰয় বহুতো মৃত্যুমুখী জীৱন, অন্তিম মুহূৰ্তটিলৈ। এদিন যিবোৰ ঘৰৰ চৌহদ শিশুৰ কলৰৱেৰে মুখৰিত হৈ ৰৈছিল অথবা যৌৱনৰ নিৰ্যাসে উজলাই তুলিছিল ইয়াৰ প্ৰতিটো চুক-কোণ, সেই ঘৰবোৰক এদিন গিলি পেলায় নিস্তব্ধতাই। সেই ঘনীভূত নিস্তব্ধতাৰ মাজত মাথোঁ শুনা যায় শূন্যতাৰ পদধ্বনি। শূন্য পটভূমিত শূন্য হৃদয়লৈ মৃত্যুলৈ অপেক্ষাৰত জীৱনৰ বিয়লি বেলাত উপনীত হোৱা সেইসকলৰ বাবে জীৱন-মৃত্যুৰ এই সময়ছোৱা যেন মৃত্যু যন্ত্ৰণাতকৈও অধিক কষ্টকৰ। মৃত্যুৰ সিপাৰে কি আছে সেয়া কাৰো জনাৰ ক্ষমতা নাই। কিন্তু জীৱনৰ এই সময়ছোৱাতো তেওঁলোকক প্ৰতিমুহূৰ্তে চুই যায় মৃত্যু শীতল অনুভূতিয়ে। নিসংগ, অথৰ্ব হৈ পৰা এই জীৱনবোৰে যেতিয়া আপোনজনৰ অকণমান সান্নিধ্যৰ বাবে হাহাকাৰ কৰি উঠে, সেই মুহূৰ্তত সিহঁতবোৰ থাকে তেওঁলোকৰপৰা শতেক যোজন দূৰত।



ভাৰতবৰ্ষত কেইটামান দশকৰ আগলৈকে পৰিয়াল ব্যৱস্থাৰ যি দৃঢ় বান্ধোন, সেয়া পাশ্চাত্যৰ সমাজবোৰৰ বাবে এক ঈৰ্ষাৰ বিষয় আছিল। কিন্তু পৰিৱৰ্তিত পৰিস্থিতিয়ে সেই দৃঢ়তাৰ বান্ধোনক যেন ক্ৰমে শিথিল কৰি আনিছে। গোলকীকৰণে একত্ৰিত কৰা আজিৰ পৃথিৱী 'যোগ্য-ভোগ্য-বসুন্ধৰা' নীতিত প্ৰতিষ্ঠিত। সেয়েহে বিশ্বৰ অন্যান্য দেশবোৰৰ দৰে আমাৰ দেশখনতো আৰম্ভ হৈ গৈছে নিজকে যোগ্য কৰি তোলাৰ মুক্ত প্ৰতিযোগিতা। এইক্ষেত্ৰত পিতৃ-মাতৃয়েও নিজৰ সন্তানক আগবঢ়াইছে অকুণ্ঠ সহযোগিতা। নিজৰ প্ৰয়াস তথা নিকটজনৰ সহযোগিতাই যেতিয়াই কোনো এজনক 'যোগ্য' হিচাপে প্ৰতিষ্ঠিত কৰাইছে তেতিয়া সমগ্ৰ বিশ্বই হাত বাউলি দি আমন্ত্ৰণ জনাইছে সেই যোগ্যজনক। আৰু ইয়াতেই আৰম্ভ হৈছে পিতৃ-মাতৃৰ মনত এক দ্বন্দ্বৰ। এহাতে সন্তানৰ সোণালী ভৱিষ্যৎ, আনহাতে তেওঁলোকৰ সন্মুখত থিয় দিয়া একাকীত্বৰ নাযায়-নুপুওৱা এক দীঘলীয়া সময়। অৱশ্যেই এনেক্ষেত্ৰত প্ৰতিগৰাকী পিতৃ-মাতৃৰ ওচৰত সন্তানৰ সুখেই প্ৰাধান্য পাইছে। আৰু তেওঁলোকৰ সন্তানসকল! নিসন্দেহে, দুই-এটি ব্যতিক্ৰমৰ বাহিৰে সকলো সন্তান অকৃতজ্ঞ নহয়। কিন্তু ইতিপূৰ্বে তেওঁলোকৰ নামৰ সৈতে সংস্পৃক্ত হৈ পৰা 'যোগ্যজন'ৰ স্বীকৃতিক অক্ষুণ্ণ ৰখাৰ তুমুল যুদ্ধত তেওঁলোক এনেদৰে ব্যস্ত হৈ পৰিবলগীয়া হয় যে ক'ব নোৱাৰাকৈয়ে তেওঁলোকৰ পিতৃ-মাতৃৰ সৈতে শাৰীৰিক ব্যৱধানৰ উপৰি সৃষ্টি হয় এক মানসিক ব্যৱধানৰ। আৰু তেনে অৱস্থাত সন্তানৰ সৈতে ক্ৰমে বিচ্ছিন্ন হৈ পৰা পিতৃ-মাতৃয়ে সোণালী সময়ৰ মুহূৰ্তবোৰক স্মৰণ কৰি নিসংগতাৰ সৈতে যুঁজ দিয়াৰ বাহিৰে আৰু কোনো উপায় নাথাকেগৈ।

ভাৰতবৰ্ষত আজি নিসংগতাই কাবু কৰি পেলোৱা অসহায় বৃদ্ধ-বৃদ্ধাৰ ছবি বৰ দুৰ্লভ দৃশ্য নহয়। গ্ৰামাঞ্চলতকৈ চহৰ অঞ্চলত ইয়াৰ প্ৰাদুৰ্ভাৱ বেছি কিয়নো সেইবোৰত বহু পূৰ্বেই সামাজিক বান্ধোন সোলোক-ঢোলোক হৈ পৰিছিল। সেয়েহে আত্মকেন্দ্ৰিকতাৰে জীৱন ব্যতীত কৰা সকলে জীৱনৰ অসহায় সময়কণত যেতিয়া সমাজৰ অনুকম্পা বিচাৰে তেনে সময়ত তেওঁলোক প্ৰায়ে বিমুখ হ'বলগীয়াতে পৰে। আৰু তেনে এক সন্ধিক্ষণত অনিচ্ছাকৃতভাৱে তেওঁলোকৰ জীৱনক আৱৰি পেলায় নিসংগতাই। জীয়াই থাকিবলৈ বহুখিনি শাৰীৰিক সক্ষমতা থকাৰ পিছতো নিসংগতাই কুটি কুটি খায় তেওঁলোকৰ ভৱিষ্যতৰ দিনবোৰক। জীৱন-জগত সম্পৰ্কে তেওঁলোক ক্ৰমে হৈ পৰে নিৰ্মোহ-নিস্পৃহ। নিসংগতাৰ এই ক্ষয়ংকৰী আক্ৰমণক চিকিৎসা বিজ্ঞানৰ অভিধাত জনা যায় 'Empty nest syndrome' হিচাপে। নিসংগতাৰ আক্ৰমণ ইমানেই মাৰমুখী যে বহুতো প্ৰৌঢ় দম্পতীয়ে ইয়াৰ অসহনীয় বোজা হ'ব নোৱাৰি এটা সময়ত আত্মহত্যাৰ পথো বাছি লয়। কিছুদিন পূৰ্বে আহমেদাবাদৰ এটা সম্ভ্ৰান্ত দম্পতীয়ে আত্মহননৰ পথ বাছি লৈছিল কেৱল এই নিসংগতাৰপৰা বাচিবলৈ। তেওঁলোকে ছুইচাইড নোটত নিজৰ মৃত্যুৰ বাবে দায়ী কৰি থৈ গৈছিল নিসংগতাক। অথচ এই দম্পতীৰ আছিল দুগৰাকী সুযোগ্য পুত্ৰ, যাৰে এগৰাকী নাগপুৰৰ কলেজ এখনৰ অধ্যাপক হোৱাৰ বিপৰীতে আনগৰাকী আছিল আমেৰিকা যুক্তৰাজ্যৰ এজন প্ৰতিষ্ঠিত ডাক্তৰ। এনে দুই সুযোগ্য পুত্ৰৰ কথা কৈ গৌৰৱত ওফন্দি থকা দম্পতীৰ ক্ৰমে নিঃস্ব হৈ যোৱা ভিতৰখনৰ কথা কোনোবাই বাৰু অনুমান কৰিব পাৰিছিলনে!

এনেধৰণৰ ঘটনাক্ৰমৰ প্ৰসংগত প্ৰশ্ন এটা উত্থাপিত হয় যে সুযোগ্য সন্তানৰ প্ৰকৃত সংজ্ঞানো কি? প্ৰসংগক্ৰমেই আমাৰ মনলৈ আহিছে কিছুদিন পূৰ্বে ইণ্টাৰনেটত প্ৰত্যক্ষ কৰা এটা বাৰ্তালৈ— য'ত কোৱা হৈছিল, 'আপুনি বাৰু এটি অযোগ্য সন্তানৰ পিতৃ নেকি? যদি হয় তেন্তে আপুনি অতিকে সৌভাগ্যৱান।' সাম্প্ৰতিক প্ৰেক্ষাপটত কথাষাৰ অতিকে তাৎপৰ্যপূৰ্ণ। প্ৰতিগৰাকী যোগ্য সন্তানকে সময়ে বৰ নিষ্ঠুৰতাৰে পিতৃ-মাতৃৰ বুকুৰ পৰা কাঢ়ি লৈ যায়। আমাৰ শাস্ত্ৰসমূহত উল্লেখ থকা 'পিতৃঋণ' তেওঁলোকৰ বহুতৰ ইচ্ছা থকা সত্ত্বেও পৰিশোধ কৰাটো সম্ভৱ নহয়গৈ। ইয়াৰ বিপৰীতে, যিসকলক অযোগ্য বুলি সততে তুচ্ছ-তাচ্ছিল্য কৰা হয়, সেইসকলেই নীৰৱে লেদেনা ওকটি যায় ক্ৰমে অথৰ্ব হৈ পৰা পিতৃ-মাতৃৰ। শৰীৰ-মনেৰে সম্পূৰ্ণ বিধ্বস্ত হৈ পৰা পিতৃ-মাতৃক প্ৰতিনিয়ত সাহচৰ্য প্ৰদান কৰে সেই 'অযোগ্য' সন্তানবোৰেই। এফালে বাৰ্দ্ধক্যই কোঙা কৰি পেলোৱা পিতৃ-মাতৃ আৰু আনফালে নিজৰ অযোগ্যতাই সংকুচিত কৰি অনা পৰিসীমাৰ ভিতৰত ইজনে-আনজনৰ পৰিপূৰক হৈ পৰে। কিন্তু এনে সৌভাগ্য সকলো পিতৃ-মাতৃৰ কপালত লিখা নাথাকে। কিয়নো বহুতো পিতৃ-মাতৃৰ সন্তানসকল তেওঁলোকে আশা কৰাৰ দৰে অতিকে সুযোগ্য হৈ উঠে। তেওঁলোকৰ সন্তানবোৰৰ 'প্ৰয়োজন' তেওঁলোকতকৈ অধিক হয় আনৰ। আৰু তেওঁলোক আজীৱন আৱদ্ধ হৈ থাকিবলগীয়া হয় নিসংগতাৰ সুউচ্চ চূড়াবোৰৰ মাজত।

বৃদ্ধাৱস্থাৰ এনে সকৰুণ পৰিণতি বৰ্তমান সময়ত হোৱা সামাজিক পৰিৱৰ্তনে যেন অধিক ক্ষিপ্ৰ কৰি তুলিছে। এবাৰ ঘৰৰপৰা ওলাই যোৱা সন্তানটিক পুনৰ নিজৰ মাজত পাবলৈ বিচৰাটো পিতৃ-মাতৃৰ বাবে আজি এক দুৰূহ স্বপ্ন। এফালে যিদৰে বৃদ্ধি পাবলৈ লৈছে প্ৰবাসী ভাৰতীয় আনফালে সেইদৰে নিসংগ হৈ পৰিছে বহুতো পিতৃ-মাতৃ। জীৱনৰ যিখিনি সময়ত তেওঁলোকক প্ৰয়োজন আছিল সন্তানৰ শাৰীৰিক-মানসিক সাহচৰ্য— সেই সময়কণত তেওঁলোক হৈ পৰিছে সম্পূৰ্ণৰূপে নিঃস্ব। একাকীকত্বৰপৰা ৰক্ষা পাবলৈ, নিসংগতাক জীৱনৰ অন্তিম সময়খিনিত আধিপত্য বিস্তাৰ কৰিব নিদিবলৈ মুম্বাই, দিল্লী আদিৰ দৰে মেট্ৰ'পলিটান চহৰবোৰত বহুতো যাঠিৰ উৰ্দ্ধৰ প্ৰৌঢ়-প্ৰৌঢ়া ওলাই আহিছে বাহিৰলৈ। গঠন কৰিছে নিজৰ মাজত ছাপ'ৰ্ট গ্ৰুপ। সাহচৰ্য প্ৰদান কৰিছে ইজনে-সিজনক, পাঠ গ্ৰহণ কৰিছে নিসংগতাৰ বিৰুদ্ধে যুঁজি যাবলৈ। তেওঁলোকে দাবী কৰা মতে, এই ছাপ'ৰ্ট গ্ৰুপবোৰে নিঃসংগতাই পিষ্ট কৰা অকলশৰীয়া ব্যক্তিবোৰক অকণমান মানসিক সাহচৰ্যই যে প্ৰদান কৰে তেনে নহয়, প্ৰয়োজন বিশেষে শাৰীৰিক সমস্যাসমূহৰ ক্ষেত্ৰতো তেওঁলোকে ইজনে-সিজনক পূৰ্ণ সহযোগিতা আগবঢ়ায়। সময়ৰ ৰুক্ষতাক প্ৰত্যাহ্বান জনাই এইসকলে যি পদক্ষেপ লৈছে



সেয়া অৱশ্যেই প্ৰশংসনীয়। এই সম্পৰ্কে এগৰাকী অশীতিপৰ বৃদ্ধই মত ব্যক্ত কৰিছিল— 'আজি আমাৰ সন্তানবোৰে উৰিবলৈ শক্তি লাভ কৰিছে যেতিয়া সিহঁতবোৰ উৰিবই। এই সত্যটোক আমি সকলোৱে হৃদয়ঙ্গম কৰা উচিত। সিহঁতবোৰ পুনৰ সজালৈ ওভতি আহিব এনে অলীক কল্পনা কৰি দুখৰ পাহাৰ গঢ়াটো এক বাতুলতা মাথোন। এতিয়া আমি ইজনেই আনজনৰ নিসঙ্গতাৰ সংগী হৈ পৰা উচিত।' জীৱনৰ অন্তিম ক্ষণটোত জীৱন সম্পৰ্কে এনে ইতিবাচক মনোভাৱ নিসন্দেহে অতিকৈ প্ৰেৰণাদায়ক। তথাপি... নব্বৈ বছৰীয়া এগৰাকী বৃদ্ধক যেতিয়া হাস্পতালত সত্তৰ-আশী বছৰীয়া তেওঁৰ সংগীবোৰে ষ্ট্ৰেচাৰত তুলি ইঠাইৰপৰা সিঠাইলৈ ঢপলিয়াই ফুৰিব, সেই দৃশ্য হ'ব সঁচাকৈয়ে অতি মৰ্মন্তুদ।

*লেখকৰ ফোন : ৯৮৫৪০-১৮১১৭*